# Phone call between Prime Minister Shri Narendra Modi and H.E. SUGA Yoshihide, Prime Minister of Japan

March 09, 2021

---

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী ছুগা য়’শীহিডৰ মাজত টেলিফোনিক বাৰ্তালা

**মাৰ্চ 9, 2021**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জাপানৰ প্ৰধানমন্ত্ৰী ছুগা য়’শীহিডৰ সৈতে টেলিফোনযোগে কথা পাতে৷

দুয়োগৰাকী নেতাই ভাৰত–জাপান বিশেষ কৌশলগত অংশীদাৰিত্ব আৰু পাৰস্পৰিক বিশ্বাস আৰু মিলিত মূল্যবোধৰ ওপৰত ভিত্তি কৰি আন্তঃৰাষ্ট্ৰীয় অংশীদাৰিত্বৰ ক্ষেত্ৰত বিগত বছৰসমূহত যি ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হৈছে, তাক লৈ সন্তোষ প্ৰকাশ কৰে৷ ক’ভিড–১৯ মহামাৰী সত্ত্বেও বিগত বৰ্ষত বিভিন্ন দ্বিপাক্ষিক ক্ষেত্ৰত মত বিনিময়ৰ বিষয়ে দুয়োগৰাকী নেতাই প্ৰয়োজনীয় প্ৰচেষ্টাৰ প্ৰশংসা কৰে৷ নিৰ্দিষ্ট খণ্ডত দক্ষ কৰ্মী সংক্ৰান্তীয় সহযোগিতামূলক চুক্তি স্বাক্ষৰিত হোৱাৰ বিষয়টো তেওঁলোকে আদৰণি জনায়৷ এই সহযোগিতামূলক চুক্তিৰ সিদ্ধান্তবোৰ দ্ৰুতগতিত বাস্তবায়িত কৰাৰ ক্ষেত্ৰত তেওঁলোকে অগ্ৰাধিকাৰ দিয়ে৷

মুম্বাই–আমেদাবাদ হাইস্পীড ৰে’ল প্ৰকল্প (এমএএইচএছআৰ)ক ভাৰত–জাপান দ্বিপাক্ষিক কৌশলগত অংশীদাৰিত্বৰ উজ্জ্বল নিদৰ্শন বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ সফল ৰূপায়ণত তেওঁৰ প্ৰতিশ্ৰুতিৰ কথা দোঁহাৰে৷

দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বিষয়ত মত বিনিময় কৰে৷ তেওঁলোকে দুয়োখন দেশৰ সমস্যাৱলীৰ সমাধানৰ বাবে যুটীয়াভাৱে কাম কৰাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰে৷ এই প্ৰসংগত আন একাংশ দেশ যেনে-অষ্ট্ৰেলিয়া আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সৈতে কোৱাড আলোচনাৰ ওপৰত জোৰ দি এই ধৰণৰ কাৰ্যকৰ আলোচনা চলাই যোৱাৰ প্ৰসংগত দুয়োগৰাকী নেতাই সহমত প্ৰকাশ কৰে৷

দুয়োগৰাকী নেতাই ২০২২চনত দুয়োকন দেশৰ কূটনৈতিক সম্পৰ্কৰ ৭০সংখ্যক বৰ্ষপূৰ্তি সঠিকভাৱে পালনৰ সিদ্ধান্ত লয়৷

প্ৰধানমন্ত্ৰী মোদীয়ে বাৰ্ষিক দ্বিপাক্ষিক সন্মিলন উপলক্ষে যিমান পাৰি সোনকালে প্ৰধানমন্ত্ৰী ছুগাক ভাৰতলৈ আহিবলৈ আমন্ত্ৰন জনায়৷.

**নতুন দিল্লী**
**মাৰ্চ 9, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.